**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-05-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই দীঘলিবাৰী গাঁও পঞ্চায়তত চাৰি শতাধিক লোক ভোটদানৰ পৰা বঞ্চিত হোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। দুয়োটা পৰ্যায়ৰে ভোটগণনা অহা ১১ মে'ত সম্পন্ন হ'ব।

০০০০০০

———ৰাজ্যিক নিৰ্বাচন আয়োগে মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাঁচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিছে। সেই অনুসৰি এই কেন্দ্ৰটোত কাইলৈ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ পুনৰ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে কালি হৈ যোৱা ভোটগ্ৰহণত এই কেন্দ্ৰটোক বাদ দি মাজুলী জিলাত ৮০ দশমিক ০ - ২ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০০

———জাপান চৰকাৰৰ সংসদ ভৱনৰ অধ্যক্ষ তথা লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ সাংসদ ফুকুছিৰো নুৱাগা আৰু ৫ গৰাকী সাংসদ তিনি দিনীয়া ভ্ৰমণসূচীপে আজি অসমলৈ আহিব। আজি সন্ধিয়া জাপানৰ দলটোৱে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিব। কাইলৈ পুৱাই প্ৰতিনিধি দলটো উত্তৰ গুৱাহাটীত অৱস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত উপস্থিত হৈ অধ্যক্ষগৰাকীয়ে এখন পৰ্যালোচনা বৈঠকত ভাগ লোৱাৰ লগতে প্ৰতিষ্ঠানটোৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ দিব। প্ৰতিনিধি দলটোৱে প্ৰতিষ্ঠানটোৰ নেন'

টেকন'ল'জি চেণ্টাৰ আৰু বায়'নেষ্টৰ গৱেষণাগাৰ পৰিদৰ্শন কৰিব। তাৰ পৰা উভতি আহি দলটোৱে কাইলৈ গুৱাহাটীত  নিশাটো কটাই পৰহিলৈ জাপানলৈ উভতি যাব।

০০০০০০০

যোৰহাটৰ তৰাজান অঞ্চলৰ ১ নম্বৰ সোণাৰি গাঁৱত কালি হোৱা এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লোকদুজন আহি থকা দুচকীয়া বাহনখনে পথৰ দাঁতিত থকা এডাল গছত খুন্দিওৱাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়। আহত লোকজনক ততালিকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে।

ইপিনে, ডিব্ৰুগড় জিলাৰ মৰাণত কালি হোৱা আন এটা পথ দুৰ্ঘটনাত এটি কণমানি শিশুসহ ১৬ জন লোক গুৰুতৰভাৱে আহত হয়। মৰাণৰ গজপুৰীয়াত ভোটৰ অধিকাৰ সাব্যস্ত কৰি ঘৰলৈ ওভতাৰ পথত তেওঁলোকৰ বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই পথতে বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। আহতসকলৰ ভিতৰত ৩ জনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

০০০০০০০

এতিয়া শুনক ৱেভছ্ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্ ২০২৫ত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। কালি এই সন্মিলনত মিচিং জনগোষ্ঠীৰ নৃত্য শিল্পীৰ দ্বাৰা পৰিৱেশিত পৰম্পৰাগত গুমৰাগ নৃত্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অসমৰ পৰা মুম্বাইলৈ যোৱা শিল্পীসকলে গুমৰাগ নৃত্য পৰিৱেশন কৰাৰ উপৰি ত্ৰিপুৰাৰ ৰিয়াং জনগোষ্ঠীৰ নৃত্যশিল্পীসকলে হোজাগিৰি লোকনৃত্যও পৰিৱেশন কৰে।  কালি ৱেভৰ মঞ্চত ৰিয়েলিটি শ্বো শাখাত **ফনকাৰছ বেণ্ডু**ক পুৰস্কাৰ প্ৰদান কৰা হয়। এই বেণ্ডত অসমৰ দুগৰাকী যুৱক নয়নজ্যোতি খাটনিয়াৰ সঞ্জয় বসুমতাৰীও আছে। উল্লেখযোগ্য যে কালি অনুষ্ঠিত ৱেভৰ মঞ্চত অভিনেতা আমিৰ খান, মিঠুন চক্ৰৱৰ্তী, পৰিচালক প্ৰসূন যোশী, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৱেভছ্ সন্মিলনত লাভ কৰা অভূতপূৰ্ব সঁহাৰিৰ প্ৰতি লক্ষ্য ৰাখি এই সন্মিলন পূৰ্বৰ দুবছৰৰ পৰিৱৰ্তে প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

০০০০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**